# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। সমগ্ৰ দেশে কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব।
২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।
৩। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে।
৪। দেশজুৰি আজি বিভাজন বিভীষিকা স্মৃতি দিৱস পালন কৰা হৈছে।

আৰু

৫। প্ৰসিদ্ধ হকী খেলুৱৈ তথা টেনিছ তাৰকা লিয়েণ্ডাৰ পেজৰ পিতৃ ডং ভেচ পেজৰ আজি কলকাতাত এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়।

০০০০০০০

সমগ্ৰ দেশে কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰ, ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ দৃষ্টিভংগীৰ দিশে ধাৱমান হোৱাৰ সময়ত উদযাপিত এইবাৰৰ স্বাধীনতা দিৱসৰ মূল বিষয়বস্তু হৈছে – 'নতুন ভাৰত'। এই উদযাপনে সমৃদ্ধিশালী, সুৰক্ষিত আৰু সাহসী নতুন ভাৰতৰ ক্ৰমবৰ্ধমান উত্থানৰ বাবে এখন মঞ্চ হিচাপে কাম কৰিব আৰু প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাৰ বাবে নতুন শক্তি যোগান ধৰিব। এইবেলি স্বাধীনতা দিৱসত অপাৰেচন সিন্দূৰৰ সাফল্য উদযাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ বাবে অপাৰেচন সিন্দূৰৰ ল'গ'ৰ লগতে চেনাব দলঙৰ ৱাটাৰমাৰ্কযুক্ত নিমন্ত্ৰণ পত্ৰ ব্যৱহাৰ কৰা হৈছে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰায় ৫ হাজাৰ বিশেষ অতিথিক লালকিল্লাত স্বাধীনতা দিৱস উদযাপনৰ অনুষ্ঠান চাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। ইয়াৰ ভিতৰত বিশেষ অলিম্পিক ক্ৰীড়া মহোৎসৱ, ২০২৫-ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈৰ দল, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত পদক বিজেতা আৰু খেল' ইণ্ডিয়া পেৰা গেমছত সোণৰ পদক বিজয়ী খেলুৱৈসকল আছে। জনসাধাৰণক দেশপ্ৰেমৰ ভাৱনাৰে উদ্বুদ্ধ কৰাৰ লগতে অপাৰেচন সিন্দূৰৰ সাফল্যৰ উদযাপনকল্পে স্বাধীনতা দিৱসৰ দিনা সন্ধিয়া প্ৰথমবাৰৰ বাবে দেশজুৰি ভালেসংখ্যক বেণ্ডে সংগীত পৰিৱেশন কৰিব। স্থলসেনা, নৌসেনা, বায়ুসেনা, উপকূলৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, ভাৰত-তিব্বত সীমান্ত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিন, সীমান্ত সুৰক্ষা বাহিনী, এছ এছ বি, ৰে'ল সুৰক্ষা বাহিনী, সংহত প্ৰতিৰক্ষা গোট আৰু আছাম ৰাইফলছৰ বেণ্ডে সমগ্ৰ দেশৰ ১৪০ টা গুৰুত্বপূৰ্ণ স্থানত সংগীতৰ সুৰ পৰিৱেশন কৰিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীত নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতি ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো স্বাধীনতা দিৱস উদযাপনৰ বাবে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীৰ উপৰি স্কাউট গাইডৰ দলে পেৰেডৰ অনুশীলন চলাই আছে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে স্বাধীনতা দিৱস বৰ্জনৰ বাবে জনোৱা আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি

ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱা ৯ বজাত গুৱাহাটীৰ খানাপাৰাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

সীমান্ত সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে আইন-শৃংখলা বজাই ৰাখিবলৈ কাছাৰ জিলা প্ৰশাসনে ভাৰত-বাংলাদেশ সীমান্তত যাতায়াত আৰু কিছু পণ্যসামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত পথৰ নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তলৈ উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু কনিষ্টবল অখিলৰঞ্জন দাসে সাহসিকতাৰ আৰক্ষী পদক লাভ কৰিছে। একেদৰে আৰক্ষী মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ, আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং, কামাণ্ডেণ্ট জয়শ্ৰী খেৰচা, আৰক্ষী অধীক্ষক হৃদয়জিৎ বৰ্মন, আৰক্ষী অধীক্ষক নুমল মাহাট্টা, কামাণ্ডেণ্ট দেৱাশীষ বৰা, কামাণ্ডেণ্ট টাবুৰাম পেগু, উপ-আৰক্ষী অধীক্ষক নিৰ্মল চন্দ্ৰ বিশ্বাস, আৰক্ষী পৰিদৰ্শক ললিত শইকীয়া, উপ-পৰিদৰ্শক অখিল কুমাৰ দাস, পৰিদৰ্শক ধ্ৰুৱ ছ্ৰ্কি, সহকাৰী কামাণ্ডেণ্ট নবীন চন্দ্ৰ শৰ্মা আৰু উপ-পৰিদৰ্শক ৰবীন্দ্ৰ সিন্‌হাই বিশিষ্ট সেৱাৰ বাবে আৰক্ষী পদক লাভ কৰিছে।

সীমান্ত সুৰক্ষা বাহিনী- বি এছ্ এফৰ ১৬ জন সাহসী সীমা প্ৰহৰীলৈ অপাৰেচন সিন্দূৰৰ সময়ত দেখুওৱা অদম্য সাহস আৰু বীৰত্বৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বি এছ্ এফে কয়, যে এই পদক হৈছে - ভাৰতৰ প্ৰতিৰক্ষাৰ প্ৰথম শাৰীত থকা জোৱানসকলৰ প্ৰতি দেশৰ বিশ্বাস আৰু আস্থাৰ প্ৰতীকস্বৰূপ।

০০০০০০০

আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই দিনটোত ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত জনসাধাৰণ সন্মুখীন হোৱা যাতনা আৰু কষ্টৰ কথা স্মৰণ কৰা হয়। এই দিনটোত ৰাষ্ট্ৰই দেশ বিভাজনৰ সময়ত প্ৰাণ আহুতি দিয়া আৰু অকল্পনীয় বেথাৰ সন্মুখীন হোৱা লোকসকললৈ শ্ৰদ্ধা নিবেদন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই দিনটোৱে দেশৰ ইতিহাসৰ এই শোকাৱহ অধ্যায়ৰ সময়ত অগণন লোক সন্মুখীন হোৱা পীড়া আৰু যাতনাৰ বিষয়ে সোঁৱৰাই দিয়ে। তেওঁ কয়, যে এই দিৱসৰ জৰিয়তে বিভাজনৰ বলি হোৱা লোকসকলে দেখুওৱা সাহস আৰু অকল্পনীয় ক্ষতিৰ সন্মুখীন হোৱা সত্ত্বেও নতুনকৈ আৰম্ভ কৰা শক্তিৰ প্ৰতি সন্মান জনোৱা হয়। এই দিৱসে দেশক একতাৰ ডোলেৰে বান্ধি ৰখা সমন্বয়ৰ এনাজৰীডাল শক্তিশালী কৰাৰ ক্ষেত্ৰত আমাৰ দায়িত্বৰ বিষয়েও সোঁৱৰাই দিয়ে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে দেশ বিভাজনৰ বাবে প্ৰাণ হেৰুওৱা আৰু শিপাৰ সৈতে বিচ্ছিন্ন হোৱা লোকসকলৰ সন্মানাৰ্থে কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত প্ৰতি বছৰে ১৪ আগষ্টৰ দিনটো তেওঁলোকৰ বলিদানৰ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ পথৰ গৰাকীবিহীন কুকুৰসমূহ আশ্ৰয় গৃহলৈ স্থানান্তৰিত কৰাৰ বাবে যোৱা ১১ আগষ্টত এখন দুজনীয়া বিচাৰপীঠে দিয়া নিৰ্দেশৰ ক্ষেত্ৰত স্থগিতাদেশ দিয়াৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আজি ৰায়দান সুৰক্ষিত ৰাখে। উল্লেখযোগ্য যে পথৰ কুকুৰসমূহ আশ্ৰয় গৃহলৈ স্থানান্তৰ কৰাৰ বাবে ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনে নিজাববীয়াকৈ নিৰ্দেশ দিছিল। ন্যায়াধীশ বিক্ৰম নাথ, ন্যায়াধীশ সন্দীপ মেহতা আৰু ন্যায়াধীশ এন ভি অঞ্জাৰিয়াক লৈ গঠিত এখন তিনিজনীয়া বিচাৰপীঠে আজি বিষয়টোৰ শুনানি গ্ৰহণ কৰে। একাংশ অধিবক্তাই পূৰ্বৰ ৰায় অন্য বিচাৰপীঠসমূহে আগেয়ে দিয়া ৰায়ৰ পৰিপন্থী বুলি মুখ্য ন্যায়াধীশৰ সন্মুখত উল্লেখ কৰাৰ পাছত সৰ্বোচ্চ ন্যায়ালয়ে বিষয়টোৰ শুনানি গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

০০০০০০০০০

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সন্দৰ্ভত দাবী আৰু আপত্তি দাখিলৰ নিৰ্ধাৰিত সময়ৰ ১৪ দিন পাৰ হৈ যোৱাৰ পাছতো কোনো ৰাজনৈতিক দলে বৰ্তমানলৈকে দাবী বা ওজৰ-আপত্তি দাখিল কৰা নাই বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। অৱশ্যে খচৰা ভোটাৰ তালিকা সন্দৰ্ভত ভোটদাতাসকলৰ পৰা পোনপটীয়াকৈ ২৩ হাজাৰ ৫৫৭ টা দাবী আৰু আপত্তি লাভ কৰা হৈছিল বুলি আয়োগে জানিবলৈ দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৫ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ ট'ল ফ্ৰী নম্বৰ ফোন কৰি তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। জনসাধাৰণে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাইগ'ভ মুকলি মঞ্চৰ জৰিয়তে ২৯ আগষ্টৰ ভিতৰত তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰিত হ'ব।

০০০০০০০

ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভৰ'ভ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ অহা ২১ আগষ্টত মস্কোত এখন বৈঠকত মিলিত হ'ব। ৰাছিয়াৰ বিদেশ মন্ত্ৰালয়ে কালি এই কথা নিশ্চিত কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বিষয়ৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰিকাঠামোৰল গণ্ডীৰ ভিতৰত সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ শেহতীয়া মস্কো ভ্ৰমণৰ পাছত ভাৰত আৰু ৰাছিয়াৰ বিদেশ মন্ত্ৰীদ্বয়ৰ মাজত এই বৈঠক অনুষ্ঠিত হ'ব। যোৱা মাহত অনুষ্ঠিত ব্ৰিকছ শীৰ্ষ সন্মিলনৰ সময়তো দুয়োগৰাকী মন্ত্ৰী বৈঠকত মিলিত হৈছিল আৰু দ্বিপাক্ষিক সহযোগিতা পশ্চিম এছিয়া, ব্ৰিকছ আৰু ছাংহাই সহযোগিতা সংস্থা সন্দৰ্ভত আলোচনা কৰিছিল।

০০০০০০০

প্ৰসিদ্ধ হকী খেলুৱৈ তথা টেনিছ তাৰকা লিয়েণ্ডাৰ পেজৰ পিতৃ ডঃ ভেচ পেজৰ আজি কলকাতাত এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। প্ৰয়াত ভেচ ১৯৭২ চনৰ মিউনিখ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় দলৰ সদস্য আছিল। পাৰ্কিনচন ৰোগত ভূগি থকা ডঃ পেজক মঙলবাৰে পুৱা হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। অহা সোম বা মঙলবাৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব।

০০০০০০০০০

সমাপ্ত